**ইন্দৰ মণি আৰু অন্যান্য**

**বনাম**

**মথেহৰাৰী প্ৰসাদ আৰু অন্যান্য**

**১০ অক্টোবৰ, ১৯৯৬**

**[মুখ্য ন্যায়াধীশ এ.এম. আহমদী আৰু ন্যায়াধীশ সুজাতা ভি. মনোহৰ]**

*ন্যায়িক অনুশাসন- উচ্চ ন্যায়ালয়- মুখ্য ন্যায়াধীশে তেওঁৰ উচ্চ ন্যায়ালয়ৰ বিচাৰপীঠ গঠন কৰাৰ অধিকাৰ- এই সন্দৰ্ভত দিয়া নিৰ্দেশনা মানি চলিবলৈ অন্যান্য ন্যায়াধীশসকলৰ কৰ্তব্য- এনে নিৰ্দেশনাক অৱজ্ঞা কৰা- অস্বীকাৰ কৰা।*

প্ৰতিবাদীয়ে উচ্চ ন্যায়ালয়ত লেখ আবেদন দাখিল কৰে। লেখ আবেদনখন ন্যায়াধীশ এ. পি. সিঙে শুনানি গ্ৰহণ কৰাৰ বাবে ২৮ নং আদালতত তালিকাভুক্ত কৰা হয়। ১৯.১২.১৯৯৫ তাৰিখে তেওঁ গৃহীত কৰা আদেশত কোৱা হৈছিল যে গোচৰটো স্থগিত ৰখা হৈছে যদিও আবেদনকাৰীৰ অনুৰোধ অনুসৰি ২১.১২.১৯৯৫ তাৰিখে শুনানি গ্ৰহণ কৰা হ'ব। লেখ আবেদনখন সেই আদালতত একক বা এজনীয়া ন্যায়াধীশৰ সন্মুখত ২১.১২.১৯৯৫ তাৰিখে তালিকাভুক্ত নোহোৱা গোচৰ হিচাপে ৰখা হৈছিল। ২১.১২.১৯৯৫ তাৰিখৰ দৈনিক গোচৰ সূচীত সেই ন্যায়াধীশৰ সন্মুখত এই লেখ আবেদনখন তালিকাভুক্ত কৰা হোৱা নাছিল। গোচৰটো ২২.১২.১৯৯৫ তাৰিখলৈ স্থগিত ৰখা হৈছিল। ৯.১২.১৯৯৫ তাৰিখে পুৱা সেই উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশে ন্যায়াধীশ ভি. এন. খাৰেৰ নেতৃত্বত ন্যায়াধীশ এ.পি. সিঙৰ সৈতে খণ্ড বিচাৰপীঠ পুনৰ গঠন কৰে। ২৮ নং আদালত কক্ষত তেওঁ অকলে বহিছিল। আবেদনখন সেই তাৰিখৰ দৈনিক গোচৰ সূচীত অন্তৰ্ভুক্ত নহ'লেও তেওঁ সেই লেখ আবেদনৰ এক পক্ষীয় অনুমতি দিছিল। একক ন্যায়াধীশৰ সিদ্ধান্তৰ বিৰুদ্ধে এই আপীল দাখিল কৰা হৈছিল।

আপীলৰ অনুমতি জনাই এই ন্যায়ালয়ে ৰায় দিয়ে যে-

উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ বিশেষাধিকাৰ হ'ল তেওঁৰ নিজৰ উচ্চ ন্যায়ালয়ৰ বিচাৰপীঠ গঠন কৰা আৰু এনে বিচাৰপীঠত কাম-কাজ আবণ্টন দিয়া। ন্যায়িক অনুশাসনৰ বাবে উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলে এই সন্দৰ্ভত মুখ্য ন্যায়াধীশে দিয়া নিৰ্দেশনা মানি চলিব লাগিব। আচলতে

তেনে কৰাটো তেওঁলোকৰ কৰ্তব্য। অন্যান্য ন্যায়াধীশসকলে শুনানি বা সিদ্ধান্ত ল'বলগীয়া গোচৰসমূহ নিজে বাছি ল'ব নোৱাৰে, একক নে খণ্ড বিচাৰপীঠত বহিব সেইটোও সিদ্ধান্ত ল'ব নোৱাৰে। যেতিয়া মুখ্য ন্যায়াধীশে ন্যায়াধীশ ভি. এন. খাৰে আৰু ন্যায়াধীশ এ. পি. সিঙৰ বিচাৰপীঠ গঠন কৰিছিল, তেতিয়া ন্যায়াধীশ ভি. এন. খাৰেৰ সৈতে বিচাৰপীঠত বহি এই বিচাৰপীঠত উত্থাপিত বিষয়সমূহ নিষ্পত্তি কৰাটো ন্যায়াধীশ এ. পি. সিঙৰ কৰ্তব্য আছিল। ন্যায়াধীশ এ. পি. সিঙে মুখ্য ন্যায়াধীশৰ প্ৰশাসনিক নিৰ্দেশনাক অৱজ্ঞা কৰি আৰু তেওঁ নিজে পছন্দ কৰা গোচৰৰ শুনানিৰ বাবে এজনীয়া বিচাৰপীঠত বহি অনুচিত কাম কৰিছিল। যদিও প্ৰথমে তেওঁক ২২.১২.১৯৯৫ তাৰিখে এককভাৱে শুনানি গ্ৰহণ কৰা বুলি দেখুওৱা হৈছিল, বিচাৰপীঠখন পুনৰ গঠন কৰি তেওঁক জনোৱাৰ পিছত নিৰ্দেশ অনুসৰি তেওঁ খণ্ড বিচাৰপীঠত যোগদান কৰিবলৈ বাধ্য আছিল। যদি তেওঁ কোনো অসুবিধাৰ সন্মুখীন হৈছিল, তেন্তে মুখ্য ন্যায়াধীশৰ কাষ চাপি পৰিস্থিতিৰ বিষয়ে বুজাই দিয়া আৰু অধিক নিৰ্দেশনা বিচৰাটো তেওঁৰ দায়িত্ব আছিল। কিন্তু মুখ্য ন্যায়াধীশৰ নিৰ্দেশক আওকাণ কৰি স্বতন্ত্ৰভাৱে কাম কৰাৰ কোনো কৰ্তৃত্ব তেওঁৰ নাছিল। এনে আচৰণে ন্যায়িক অনুশাসন আৰু উচ্চ ন্যায়ালয়ৰ সঠিক কাম-কাজক ভেঙুচালি কৰে আৰু এনে আচৰণক তীব্ৰ নিন্দা কৰা হয়। [৪০৩-ই-এইচ, ৪০৪-এ]।

দেৱানী আপীল অধিকাৰক্ষেত্ৰ: দেৱানী আপীল নং ১২৯৮২/১৯৯৬

চি.এম.ডব্লিউ. নং ৭০১৩/১৯৮০ গোচৰত এলাহাবাদ উচ্চ ন্যায়ালয়ৰ ২২.১২.৯৫ তাৰিখৰ ৰায়দান আৰু আদেশৰ পৰা।

আপীলকাৰীৰ হৈ আৰ.ডি. উপাধ্যায়।

প্ৰতিবাদকাৰীৰ হৈ ডি. কে. গাৰ্গ আৰু এম. চি. ধিংৰা।

ন্যায়ালয়ৰ ৰায়দান প্ৰদান কৰে **ন্যায়াধীশ শ্ৰীমতী সুজাতা ভি. মনোহৰে**। অনুমতি প্ৰদান কৰা হয়।

বিশেষ অনুমতিৰ দ্বাৰা এই আপীল এলাহাবাদ উচ্চ ন্যায়ালয়ৰ বিদ্বান একক ন্যায়াধীশৰ ৭০১৩/১৯৮০ নং দেৱানী বিবিধ লেখ আবেদনত ২২.১২.১৯৯৫ তাৰিখে প্ৰদান কৰা ৰায়দানৰ

পৰাই উদ্ভৱ হৈছে। উক্ত ৰায়দানৰ দ্বাৰা বিদ্বান একক ন্যায়াধীশে প্ৰথম প্ৰতিবাদীয়ে এক পক্ষীয় ভাবে দাখিল কৰা লেখ আবেদনৰ অনুমতি দিছে। ২২.১২.১৯৯৫ তাৰিখে আপীলকাৰীসকলৰ হৈ হাজিৰ হোৱা বিদ্বান অধিবক্তাই শপতনামাত উল্লেখ কৰা কাৰণসমূহৰ বাবে স্থগিত ৰখাৰ অনুৰোধ জনাই ২২.১২.১৯৯৫ তাৰিখৰ শপতনামাৰ দ্বাৰা সমৰ্থিত আবেদন দাখিল কৰিছিল। এই আবেদন মঞ্জুৰ কৰা নহ'ল । তাৰ পিছত বিদ্বান অধিবক্তাজন গোচৰটোত হাজিৰ নহ'ল আৰু বিবাদিত ৰায়দান এক পক্ষীয়ভাৱে গৃহীত কৰা হয় । ১৯.১২.১৯৯৫, ২১.১২.১৯৯৫ আৰু ২২.১২.১৯৯৫ তাৰিখে বিদ্বান একক ন্যায়াধীশৰ আদালতত সংঘটিত হোৱা ঘটনাৰ সৈতে জড়িত বিশেষ অনুমতিৰ আবেদনত উল্লেখ কৰা কিছুমান কথাৰ প্ৰতি লক্ষ্য ৰাখি আমি এলাহাবাদ উচ্চ ন্যায়ালয়ৰ পঞ্জীয়কক এই সন্দৰ্ভত আমাৰ ওচৰত এখন অগ্ৰগতিৰ খতিয়ান (Status Report) দাখিল কৰিবলৈ নিৰ্দেশ দিলোঁ, যাতে আমি উক্ত কথাবোৰ মূল্যায়ন কৰি মোকাবিলা কৰিব পাৰো। এলাহাবাদ উচ্চ ন্যায়ালয়ৰ পঞ্জীয়কে ১৯.১২.১৯৯৫, ২১.১২.১৯৯৫ আৰু ২২.১২.১৯৯৫ তাৰিখৰ দৈনিক গোচৰ তালিকাৰ লগতে উক্ত লেখ আবেদনৰ সৈতে জড়িত আদেশ-পত্ৰৰ সৈতে আমাৰ ওচৰত শপতনামা দাখিল কৰিছে।

১৯.১২.১৯৯৫ তাৰিখে মাননীয় ন্যায়াধীশ এ. পি. সিঙৰ সন্মুখত ২৮ নং আদালতত লেখ আবেদনখন তালিকাভুক্ত কৰা হয়। ১৯৯৫ চনৰ ১৯ ডিচেম্বৰত তেওঁ গৃহীত কৰা আদেশত উল্লেখ কৰা হৈছিল যে আপীলকাৰীসকলৰ অধিবক্তাই (উচ্চ ন্যায়ালয়ৰ সন্মুখত প্ৰতিবাদীসকলে) অসুস্থতাৰ বাবে ছুটী লাভ কৰিছে যদিও আপীলকাৰীসকলক প্ৰতিনিধিত্ব কৰা বুলি তালিকাভুক্ত কৰা আন অধিবক্তাও আছে। ইয়াৰ পিছত কোৱা হৈছে: "গোচৰটো স্থগিত ৰখা হৈছে, কিন্তু আবেদনকাৰীসকলৰ বাবে বিদ্বান অধিবক্তাই অনুৰোধ কৰা অনুসৰি ২১.১২.১৯৯৫ তাৰিখে ইয়াৰ শুনানি গ্ৰহণ কৰা হ'ব, সেইটো তাৰিখে কোনো ভিত্তিত স্থগিত ৰখা নহ'ব। আবেদনকাৰীসকলৰ বিদ্বান অধিবক্তাই প্ৰতিবাদীসকলৰ বিদ্বান অধিবক্তাক অৱগত কৰিব পাৰে যে গোচৰটো ২১.১২.১৯৯৫ তাৰিখে গ্ৰহণ কৰা হ'ব।"

এই আদেশৰ প্ৰতি লক্ষ্য ৰাখি ২১.১২.১৯৯৫ তাৰিখে বিদ্বান একক ন্যায়াধীশৰ সন্মুখত ২৮ নং আদালতত লেখ আবেদনখন তালিকাভুক্ত নোহোৱা গোচৰ হিচাপে ৰখা হৈছিল। ২১.১২.১৯৯৫

তাৰিখৰ দৈনিক কাৰণ তালিকাত এই লেখ আবেদনখন বিদ্বান ন্যায়াধীশৰ সন্মুখত তালিকাভুক্ত কৰা হোৱা নাই। ২১.১২.১৯৯৫ তাৰিখে বিদ্বান একক ন্যায়াধীশে গৃহীত কৰা আদেশ তলত দিয়া ধৰণৰ:

> “উত্তৰদাতাসকলৰ বিদ্বান অধিবক্তা শ্ৰী লালজী পাণ্ডেই এই কথা উল্লেখ কৰিছে যে তেওঁ আজিৰ দিনটোত গোচৰটোৰ শুনানি হোৱাৰ কথাটোৰ বিষয়ে অৱগত নহয়। তেওঁ কাইলৈ গোচৰটোৰ শুনানি গ্ৰহণ কৰিবৰ বাবে প্ৰাৰ্থনা জনায় যাতে তেওঁ গোচৰৰ বাবে প্ৰস্তুতি চলাব পাৰে । গোচৰটোৰ কাইলৈ (২২.১২.১৯৯৫) পুৱা ১০ বজাত শুনানি গ্ৰহণ কৰা কৰক।"

আপীলকাৰীসকলৰ বিদ্বান অধিবক্তাৰ গোচৰটো হ'ল যে ২১.১২.১৯৯৫ তাৰিখে যেতিয়া তেওঁ আদালতৰ পৰা ওলাই আহিছিল তেতিয়া তেওঁক এজন অচিনাকি ব্যক্তিয়ে ভাবুকি দিছিল আৰু গোচৰটোত হাজিৰ নহ'বলৈ কৈছিল। তেওঁ দাবী কৰে যে তেওঁ সেইদিনা বিদ্বান একক ন্যায়াধীশৰ আগত এই বিষয়ে উল্লেখ কৰিছিল। এলাহাবাদ উচ্চ ন্যায়ালয়ৰ মাননীয় মুখ্য ন্যায়াধীশৰ সন্মুখতো তেওঁ এই ঘটনাৰ কথা উল্লেখ কৰা বুলি দাবী কৰে। কিন্তু, যদি কিবা ব্যৱস্থা গ্ৰহণ কৰা হৈছিল, সেই সম্পৰ্কে ৰেকৰ্ডত কোনো তথ্য নাই।

২২.১২.১৯৯৫ তাৰিখে এলাহাবাদ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশে পুৱা (সেই সময়ৰ) ন্যায়াধীশ ভি. এন. খাৰেৰ সভাপতিত্বত খণ্ড বিচাৰপীঠখন ন্যায়াধীশ এ. পি. সিঙৰ সৈতে পুনৰ গঠন কৰে। দৈনিক গোচৰৰ তালিকাত এই বিচাৰপীঠৰ গঠন প্ৰথমে গঠন কৰা ধৰণে দেখুওৱা হৈছিল অৰ্থাৎ মাননীয় ন্যায়াধীশ ভি. এন. খাৰে আৰু মাননীয় ন্যায়াধীশ চৈয়দ ৰাফাত আলম। মুখ্য ন্যায়াধীশে বিচাৰপীঠখন পুনৰ গঠন কৰাৰ সময়ত ৩৬ নং আদালত কক্ষৰ অন্যান্য কাম ন্যায়াধীশ ৰাফাত আলমৰ হাতত অৰ্পণ কৰে। এই পুনৰ্গঠনৰ ওপৰত দুয়োজন বিদ্বান ন্যায়াধীশক মাননীয় মুখ্য ন্যায়াধীশে কৰা ব্যৱস্থাৰ বিষয়ে অৱগত কৰা হয়। অৱশ্যে ন্যায়াধীশ এ. পি. সিং ন্যায়াধীশ ভি. এন. খাৰেৰ সৈতে খণ্ড বিচাৰপীঠত বহিব পৰা নাছিল। ন্যায়াধীশ এ. পি. সিঙে বিচাৰপীঠত যোগদান নকৰাত মাননীয় মুখ্য ন্যায়াধীশক পৰিস্থিতিৰ বিষয়ে অৱগত কৰা হয়। তাৰ পিছত ন্যায়াধীশ আলোক চক্ৰৱৰ্তীক ন্যায়াধীশ ভি. এন. খাৰেৰ সৈতে যোগদান কৰিবলৈ অনুৰোধ জনোৱাৰ নিৰ্দেশ দিয়ে আৰু সেই অনুসৰি খণ্ড বিচাৰপীঠ গঠন কৰা হয়। ২৮ নং আদালত কক্ষত

ন্যায়াধীশ এ. পি. সিং ডাঙৰীয়াই এককভাৱে বহিছিল। ২২.১২.১৯৯৫ তাৰিখৰ বাবে বিদ্বান ন্যায়াধীশগৰাকীৰ দৈনিক গোচৰ তালিকাতো উক্ত লেখ আবেদনখনৰ নাম উল্লেখ কৰা হোৱা নাছিল। তেওঁ পূৰ্বতে উল্লেখ কৰা লেখ আবেদনখনৰ শুনানি গ্ৰহণ কৰিছিল, যিখন লেখ আবেদন তেওঁৰ ২২.১২.১৯৯৫ তাৰিখৰ ৰায় আৰু আদেশৰ দ্বাৰা অনুমোদিত হৈছিল।

পঞ্জীয়কৰ শপতনামাত কিছু উদ্বেগজনক পৰিস্থিতিৰ কথা প্ৰকাশ পাইছে। মুখ্য ন্যায়াধীশৰ বিশেষাধিকাৰ হৈছে তেওঁৰ নিজৰ উচ্চ ন্যায়ালয়ৰ বিচাৰপীঠ গঠন কৰা আৰু এনে বিচাৰপীঠত কাম আবন্টন দিয়া । ন্যায়িক অনুশাসনৰ বাবে উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলে এই সন্দৰ্ভত তেওঁলোকৰ মুখ্য ন্যায়াধীশে দিয়া নিৰ্দেশনা মানি চলিব লাগিব। আচলতে তেনে কৰাটো তেওঁলোকৰ কৰ্তব্য। ন্যায়াধীশসকলে ব্যক্তিগতভাৱে তেওঁলোকে শুনানি বা সিদ্ধান্ত ল'বলগীয়া গোচৰসমূহ বাছি ল'ব নোৱাৰে, এজনীয়া বিচাৰপীঠত বহিব নে খণ্ড বিচাৰপীঠত বহিব সেইটোও সিদ্ধান্ত ল'ব নোৱাৰে। যেতিয়া মুখ্য ন্যায়াধীশে ন্যায়াধীশ ভি. এন. খাৰে আৰু বিদ্বান ন্যায়াধীশৰ বিচাৰপীঠ গঠন কৰিছিল, তেতিয়া ন্যায়াধীশ ভি. এন. খাৰেৰ সৈতে বিচাৰপীঠত বহি এই বিচাৰপীঠক নিযুক্ত কৰা কাম নিষ্পত্তি কৰাটো বিদ্বান ন্যায়াধীশৰ কৰ্তব্য আছিল। উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশে দিয়া প্ৰশাসনিক নিৰ্দেশনাক অৱজ্ঞা কৰাটো আৰু তেওঁ পছন্দ কৰা গোচৰৰ শুনানিৰ বাবে এজনীয়া বিচাৰপীঠত বহাটো তেওঁৰ বাবে অতি অনুচিত আছিল। যদিও প্ৰথমে তেওঁক ২২.১২.১৯৯৫ তাৰিখে এজনীয়া বিচাৰপীঠত বহিবলৈ নিযুক্তি দিয়া হৈছিল, তথাপিও তেওঁক বিচাৰপীঠখনৰ পুনৰ গঠনৰ বিষয়ে জনোৱা হৈছিল। খবৰ পোৱাৰ লগে লগে তেওঁ সেইদিনা খণ্ড বিচাৰপীঠত বহিব লাগিছিল আৰু এই নিৰ্দেশনা মানি চলিবলৈ বাধ্য হৈছিল। যদি তেওঁ কিবা অসুবিধাৰ সন্মুখীন হৈছিল, তেন্তে মুখ্য ন্যায়াধীশৰ কাষ চাপি পৰিস্থিতিৰ বিষয়ে বুজাই দিয়াটো তেওঁৰ দায়িত্ব আছিল যাতে মুখ্য ন্যায়াধীশে সমস্যাটো সমাধানৰ বাবে উপযুক্ত নিৰ্দেশনা দিব পাৰে। কিন্তু তেওঁ নিজাববীয়াকৈ মুখ্য ন্যায়াধীশে দিয়া নিৰ্দেশনাক অৱজ্ঞা কৰি এজনীয়া বিচাৰপীঠত শুনানি গ্ৰহণ কৰিবলৈ বাছি ল’ব নালাগিছিল। উচ্চ ন্যায়ালয়ৰ ন্যায়িক অনুশাসন আৰু সঠিক কাৰ্য্যকলাপক সম্পূৰ্ণৰূপে ক্ষতিগ্ৰস্ত কৰা এই আচৰণক আমি গৰিহণা দিছো।

বিদ্বান একক ন্যায়াধীশে যি দুখজনক পৰিস্থিতিত বিবাদিত আদেশটো একপক্ষীয়ভাৱে গৃহীত কৰিছিল, তাৰ প্ৰতি লক্ষ্য ৰাখি আমি আদেশটো বাতিল কৰি বিষয়টো আইন অনুসৰি গুণাগুণৰ

ওপৰত নিৰ্ভৰ কৰি সিদ্ধান্তৰ বাবে উচ্চ ন্যায়ালয়লৈ প্ৰেৰণ কৰোঁ। মাননীয় মুখ্য ন্যায়াধীশ ডাঙৰীয়াই বিষয়টো আন এজন বিদ্বান একক ন্যায়াধীশৰ হাতত অৰ্পণ কৰিব পাৰে।

সেই অনুসৰি খৰচৰ ক্ষেত্ৰত কোনো আদেশ নিদিয়াকৈ আপীলটো নিষ্পত্তি কৰা হয়।

আপীল নিষ্পত্তি কৰা হ'ল।

*অনুবাদক: মায়াশ্ৰী মহন্ত, জ্যেষ্ঠ অনুবাদক, অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়*

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্রত অনূদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়নৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।“